কথা। তেখেতসকলৰ গাঁৱৰ ঘৰত থাকি অসুচল পাহাৰীয়া বাটবোৰেদি মাইলৰ পাছত মাইল খোজকাঢ়ি আন আন গাঁওবোৰত ঘূৰি ফুৰাৰ কথা। তেখেতে কৈছিল—“বীৰেনে খুব কম কথা কৈছিল। কিন্তু অনবৰতে আমাৰ নগা জীৱনৰ সকলো কথাই মনোযোগেৰে লক্ষ্য কৰি থাকিছিল। আমাৰ তাত ইমানদিন আছিল যদিও কেতিয়াও কোনো কথাতে ওজৰ-আপত্তি নাছিল।” কথাবোৰ কৈ থকাৰ মাজতে তেখেতে টাংখুল ভাষাতে খুটিংলাক কিবা কৈছিল আৰু দোভাষীৰ ভূমিকা লৈ আমাকো তাৰ ভাগ দিছিল। তেখেতেই মনত পেলাই দিছিল বীৰেন্দ্ৰ কুমাৰে লগত সদায়ে কলম আৰু টোকাবহী এখন ৰখাৰ কথা, পাহাৰীয়া ঠাণ্ডাত ‘গ্ৰেট কোট’ এটা পিন্ধি কান্ধত মোনা এটা ওলমাই ঘূৰি ফুৰাৰ কথা। তেখেতে সকলোৰে লগতে বহি জুই পুঁৱাইছিল, কিন্তু ৰাতি ঠাণ্ডা পালেও বোলে গৃহস্থই উপযাচি নিদিয়ালৈকে ওপৰঞ্চি কাপোৰ এখনো তেখেতে কেতিয়াও খোজা নাছিল। বিশেষকৈ ভাষাৰ অসুবিধাৰ কাৰণে লাজকুৰীয়া যেন লগা টুপটুপীয়া মুখৰ খুটিংলাই কথা কমকৈ আৰু খুব সৰুকৈ, লাহে লাহে কৈছিল যদিও তেখেত বৰ আগ্ৰহেৰে আমাৰ লগত বহি আছিল। তেখেতে মাজতে উঠি গৈ আমাৰ মৃদু আপত্তি সত্বেও দ্বিতীয়বাৰৰ কাৰণে চাহ-জলপানৰ ব্যৱস্থাও কৰোৱালে আৰু ভিতৰৰপৰা উলিয়াই আনিলেগৈ পুৰণি ফটো কিছুমান। তেখেতে ফটোবোৰ সমুখত মেলি ধৰিলে আৰু ৰিশ্বাং আৰু তেখেতে মিলি কৈ গ’ল কোনখনত সেয়া কোন। আনন্দ আৰু বিস্ময়ত মোৰ ৰত্নভাণ্ডাৰ আৱিষ্কাৰ কৰা যেন লাগিছিল। ডেকা বয়সৰ ৰিশ্বাং আৰু খুটিংলা, উখৰুলৰ গিৰ্জাত তেওঁলোকৰ বিয়া। আৰু এখন ফটোত মুঢ়া এটাত বহি থকা গাভৰু খুটিংলাৰ কোলাত এটা অকণমানি ল’ৰা। “এইটো ঈয়াৰুইংগম। আমাৰ ডাঙৰটো ল’ৰা, প্ৰথম সন্তান আমাৰ।”

ঈয়াৰুইংগম?

চাঁতকৈ মনত পৰিল, ঈয়াৰুইংগম উপন্যাসখনৰ একেবাৰে শেষৰ ফালে, অন্তিম অধ্যায়ৰ আগৰ অধ্যায়টোৰ (অধ্যায় ছাবিছ) শেষৰ ফালে ৰিশ্বাং আৰু খুটিংলাৰ কথোপকথনত খুটিংলাই ৰিশ্বাংক কৈছিল—“আমাৰ এটা পোনা হ’ব, ৰিশ্বাং...” আৰু আবেগিক হৈ পৰা ৰিশ্বাঙে খুটিংলাক কৈছিল—“ল’ৰা হ’লে তাৰ নাম কি ৰাখিম জান?... ঈয়াৰুইংগম।”

তাৰমানে সঁচাকৈয়ে ৰিশ্বাং আৰু খুটিংলাৰ প্ৰথম সন্তান ল’ৰাই উপজিছিল আৰু তেখেতসকলে সেই পুত্ৰৰ নাম সঁচাকৈয়ে ঈয়াৰুইংগম ৰাখিছিল! মোক ড° এ এছ ঈয়াৰুইংগমে কোৱা কথা মনলৈ আহিছিল, তেওঁ কৈছিল, তেওঁৰ নামটোৰ দৰে ৰিশ্বাং কেইছিঙৰ পুত্ৰৰ নামটোও ঈয়াৰুইংগম। কিন্তু সেই মুহূৰ্তত মোৰ চকুৰ সমুখত অশীতিপৰ বৃদ্ধা খুটিংলাই মোলৈ আগবঢ়াই দিয়া গাভৰু খুটিংলা আৰু কণমানি ঈয়াৰুইংগমৰ ফটোখন দেখাৰ অনুভৱ আছিল অধিবাস্তৱিক যেন।

মই তেওঁলোকৰ অনুমতি লৈ কেইবাখনো পুৰণা ফটোৰ ফটো ল’লোঁ। ৰিশ্বাং আৰু খুটিংলাৰ লগতো ফটো তুলিলোঁ।

ৰিশ্বাঙে কৈ গ’ল, কেনেকৈ ডেকা কালত তেখেত কলিকতালৈ পঢ়িবলৈ গৈছিল, উভতি আহি স্কুল খুলিছিল। কেনেকৈ সেই স্কুলত বিজ্ঞান পঢ়ুৱাবলৈ বুলি তেখেতৰ বন্ধু বীৰেন্দ্ৰ কুমাৰ আহিছিল। তেখেতে ক’লে, চাৰেংলা, ফানিটফাং, নাজেক, খাটিং, ডাক্তৰ ব্ৰুক, ডাক্তৰ পাম আদি আটাইবোৰ সঁচা চৰিত্ৰ আছিল। তেখেতে ক’লে—ঈয়াৰুইংগমত বৰ্ণনা কৰাৰ দৰে সঁচাকৈয়ে খুটিংলাৰ পিতৃ আছিল গাঁওবুঢ়া। ৰিশ্বাং কেইছিঙে সাধাৰণভাৱে কোৱাদি চাৰেংলাৰ মৃত্যু হোৱাৰ কথা কওঁতে মই আঁৰ চকুৰে এবাৰ খুটিংলালৈ চাইছিলোঁ। চাৰেংলাৰ প্ৰতি ৰিশ্বাঙৰ শৈশৱৰেপৰা আকৰ্ষণ আছিল। চাৰেংলাৰ সৈতে ৰিশ্বাঙে গাঁৱে গাঁৱে ছিটা দিয়াৰ কাম কৰিছিল। চাৰেংলাৰ প্ৰতি খুটিংলাৰ ঈৰ্ষাৰ বৰ্ণনা উপন্যাসখনত ইমান সজীৱ আছিল যে মোৰ এনে লাগিছিল যেন সেয়া কিজানি এতিয়াও কেনেবাকৈ খুটিংলাৰ মুখত দেখিবলৈ পাওঁ। নাই, তেওঁৰ মুখত কোনো অভিব্যক্তি সলনি হোৱা দেখা নগ’ল। এৰা, সেয়া আছিল পঞ্চাছ-ষাঠি বছৰৰ আগৰ ৰিশ্বাঙৰ বাগদত্তা খুটিংলা! এয়া যে অৰ্ধ শতিকাৰো অধিক কালৰ পাছত মোৰ দুচকুৰ সমুখত বৃদ্ধ-বৃদ্ধা ৰিশ্বাং আৰু খুটিংলা। মই যেন আকৌ এবাৰ চকু মোহাৰি নিজকে চিকুটি চাইছিলোঁ, সঁচা নে? হয়, সকলো সঁচা আছিল। নিৰ্ধাৰিত সময়তকৈ যথেষ্ট বেছি সময় কেনেকৈ পাৰ হৈ গৈছিল আমাৰ কাৰো খেয়াল নাছিল। এসময়ত আমি আহিবলৈ ওলাইছিলোঁ আৰু খুটিংলাই টাংখুল কাপোৰ আৰু কিছু উপহাৰ দি মোক আঁকোৱালি ধৰিলে। তেখেতে পট্টনায়ক ছাৰকো এখন টাংখুল মাফলাৰ দি সন্মান যাচিছিল। দুয়োজনে আমাক আকৌ আহিবলৈ কৈ বাটলৈকে আগবঢ়াই দিছিল।

কেইবছৰমানৰ পাছত অন্য এটা সংযোগ ঘটিছিল। আমাৰ বিভাগত মোৰ ওচৰত এম ফিল সম্পূৰ্ণ কৰা মণিপুৰৰ কুকি সম্প্ৰদায়ৰ ছাত্ৰী হাটিনউ কিপগিনৰ পিতৃ মণিপুৰৰ ৰাজনীতিবিদ। সেই সূত্ৰে হাটিনউৱে তাইৰ ‘ডাঙৰ দেউতাক/ককাক হিচাপে ৰিশ্বাং কেইছিঙক সৰুৰেপৰা চিনি পাইছিল। এদিন শ্ৰেণীকোঠাত প্ৰসংগক্ৰমে ঈয়াৰুইংগম আৰু ৰিশ্বাং কেইছিঙৰ কথা কওঁতে তাই মোক পাছত লগ ধৰি অনেক কথাই কৈছিল। সৰুৰেপৰা বাহিৰত থাকি পঢ়া-শুনা কৰা ছোৱালীজনীয়েও ৰিশ্বাং কেইছিঙৰ কথাৰে ‘কিবা এখন’ উপন্যাস আছে বুলি জানিছিল। পাছলৈ তাই আগ্ৰহেৰে ইংৰাজী অনুবাদৰ জৰিয়তে হ’লেও পাঠ্যক্ৰমত থকা ঈয়াৰুইংগম বাছনি কৰি অধ্যয়ন কৰিছিল।

ৰিশ্বাংক বিচাৰি গৈ মই খুটিংলাকো লগ পাইছিলোঁ। কিন্তু দক্ষিণ দিল্লীৰ ১২, তালকোটৰা ৰ’ডৰ সাংসদৰ বাসগৃহত ৰিশ্বাং আৰু খুটিংলাক লগ পোৱাৰ পাছত দ্বিতীয়বাৰ ৰিশ্বাংক লগ পোৱা মোৰ আৰু হৈ উঠা নাছিল।

২০১৭ চন। ৰিশ্বাং কেইছিঙৰ স্বাস্থ্য একেবাৰে পৰি আহিছিল। তেখেতক ইম্ফলৰ Regional Institute of Medical Scienceত ভৰ্তি কৰোৱা হৈছিল। কিন্তু তাতেই ২২ আগষ্টৰ দিনা ৯৭ বছৰ বয়সীয়া কিংবদন্তি ৰিশ্বাং কেইছিঙে শেষ নিশ্বাস ত্যাগ কৰে। ৰিশ্বাং কেইছিং আছিল তেখেতৰ পৰিয়ালৰ দ্বিতীয় প্ৰজন্মৰ খ্ৰিষ্টান। উপন্যাসখনত বৰ্ণনা কৰাৰ দৰে ৰিশ্বাঙৰ পিতৃও নৈষ্ঠিক খ্ৰিষ্টান আছিল। কিন্তু তেখেতসকলে পুৰণি টাংখুল বিশ্বাস আৰু ৰীতি-নীতি কিছুমানো মানি চলিছিল। খ্ৰিষ্টান ধৰ্মই স্বৰ্গ-নৰকৰ ধাৰণাত বিশ্বাস ৰাখে। ৰিশ্বাঙৰ মৃত্যুৰ খবৰ পাই ভাবিছিলোঁ, সঁচাকৈয়ে যদি আত্মা আৰু পৰলোকত বিশ্বাস ৰাখিলোঁহেঁতেন ক’ব পাৰিলোঁহেঁতেন, ওৰেটো জীৱন নিজৰ মানুহ আৰু নিজৰ ঠাইখনৰ কাৰণে কাম কৰি যোৱা ৰিশ্বাং নিশ্চয়কৈ মৃত্যুৰ পাছত টাংখুলৰ বিশ্বাসৰ ‘কাজাইৰাম’ত শান্তিৰে আছে। ৰিশ্বাং কেইছিঙৰ সৈতে কথা পতাৰ বিৰল ভাগ্য হোৱাৰ দিনা তেখেতে নিজৰ নামটোৰ অৰ্থ ভাঙি কৈছিল, তেখেতসকলৰ টাংখুল ভাষাত ‘ৰি’ মানে দীৰ্ঘ জীৱন আৰু ‘শ্বাং’ মানে সফল আৰু সমৃদ্ধিশালী। আক্ষৰিক অৰ্থতে ৰিশ্বাং কেইছিঙে তেনে এটা জীৱনেই কটাইছিল, সুদীৰ্ঘ ৯৭ বছৰৰ সফল আৰু সমৃদ্ধিশালী এটা মহাজীৱন।

ঠিকনা : Assistant Professor, Department of Modern Indian Languages and Literary Studies, Faculty of Arts, University of Delhi, Delhi-110007, Ph. : 09868023484
e-mail : ratnottama@yahoo.com